**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 02-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**-----------------------------**

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় সামুদ্ৰিক সপ্তাহ, ২০২৫-ৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। ৱাটাৰ ভয়েজ নৰ্থ-ইষ্ট শীৰ্ষক এই ৰোড শ্ব' আয়োজনৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ ব্যৱহাৰ পৰ্যটন খণ্ডৰ প্ৰসাৰৰ দিহা কৰা হৈছে। ইয়াৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দেশৰ জল পৰিবহণ খণ্ডৰ বিকাশৰ অংশীদাৰ কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ হোজাই জিলাত উপস্থিত হৈছে। জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেল পথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মহিলা উদ্যমিতা আঁচনিৰ অধীনত হোজাই সমষ্টিৰ ৩১হাজাৰ ৯১০ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব।  ইয়াৰ পাছত তেওঁ ডবকাত আন এটা কাৰ্যসূচীত উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে হোজাইৰ সাগৰবস্তিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। বিশ্ববিদ্যালয়ৰ ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষেও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৫৭ কোটি ৩৪ লাখ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপাচাৰ্যৰ কাৰ্যালয়, প্ৰশাসনিক কাৰ্যালয়, ডিজিটেল শ্ৰেণীকোঠা, গৱেষণা আৰু গৱেষক কক্ষ, সন্মিলন কক্ষ, ফেকাল্টি কক্ষ, কম্পিউটাৰ লেব'ৰেটৰী, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীকোঠা আদি থকাৰ লগতে উদ্যানশস্য আদিৰো ব্যৱস্থা আছে। মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০০

গুৱাহাটীত আজিৰে পৰা ৩৬সংখ্যক আঞ্চলিক স্তৰৰ ৰাষ্ট্ৰীয় যুৱ সংসদ সমাৰোহ আৰম্ভ হৈছে। দুদিনীয়াকৈ অনুষ্ঠিত এই সমাৰোহত আঞ্চলিক স্তৰৰ ৫৪খন কেন্দ্ৰীয় বিদ্যালয়ৰ ৮খনে ভাগ লৈছে। ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান গুৱাহাটীৰ সঞ্চালক অধ্যাপক ড০ দেবেন্দ্ৰ জলিহালে এই সমাৰোহৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীজলিহালে কয়, যে এই ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলক সংসদৰ ভিতৰত আলোচনা কেনেধৰণে কৰা হয় সেই বিষয়ত ধাৰণা দিয়ে যিয়ে গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰাত সহায় কৰে। সমাৰোহৰ সৈতে সংগতি ৰাখি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ সপ্তম অধিৱেশন আজি আৰম্ভ হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশন শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হ'ব। তাৰ পাছতে প্ৰশ্নোত্তৰ পৰ্ব অনুষ্ঠিত হ'ব। অধিৱেশনত

ৰাজহুৱা স্বাৰ্থজড়িত বহু আলোচনা অনুষ্ঠিত হোৱাৰ লগতে কেইবাখনো চৰকাৰী বিধেয়ক উত্থাপন কৰা হ'ব আৰু কেইবাটাও চৰকাৰী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। অধিৱেশনত বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদন আৰু বিধানসভা সমিতিৰ প্ৰতিবেদনো উত্থাপন কৰা হ'ব।

০০০০০০০

ডিব্ৰুগড় চৌকিডিঙিত থকা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ত গুড ৰিক গ্ৰুপ লিমিটেড, এছিয়ান গ্ৰুপ, লক্ষ্মী টি প্ৰাইভেট লিমিটেডৰ অন্তৰ্গত বাগিচা সমূহৰ পৰিচালক আৰু অসম চাহ মজদুৰ সংঘৰ শ্ৰমিক-প্ৰতিনিধিসকলৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈ যায়। বৈঠকত ২০২৪-২৫ বৰ্ষত শ্ৰমিকসকলক দিবলগীয়া বোনাচৰ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী ৰূপেশ গোৱালা, অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰৰ উপস্থিতিত বাগিচা কেইখনৰ কৰ্তৃপক্ষৰ সৈতে চুক্তি স্বাক্ষৰ কৰা হয়। আলোচনাত দূৰ্গা পূজাৰ পূৰ্বে ১৫শতাংশ আৰু মাঘ বিহুৰ আগেয়ে ৫ শতাংশ বোনাচ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰা হয়।

০০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ হাতীআলি বাইপাছত কালি নিশা সংঘটিত এটা দুৰ্ঘটনাত চাৰিগৰাকী লোক গুৰুতৰভাৱে আহত হয়। অৰুণাচললৈ গৈ থকা এখন নৈশ বাছৰ সৈতে ভুল দিশেৰে অহা এখন ছুইফট গাড়ীৰ মুখামুখিকৈ খুন্দা লগাত ছুইফটখনত থকা চাৰিগৰাকী লোক আহত হয়। আহত লোককেইজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত কালি তিনিটা প্ৰকল্প উদ্বোধন কৰে। শ্ৰী সোণোৱালে সাংসদ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ অধীনত শৰীৰ চৰ্চা কেন্দ্ৰ, খোৱাপানী প্ৰকল্প আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ডº যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী সোণোৱালে কয়, যে এই প্ৰকল্পসমূহে শিক্ষানুষ্ঠানখনৰ বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সুস্থ ভাৰত গঢ়াৰ দিশত সক্ৰিয় ভূমিকা পালন কৰিবলৈ অনুপ্ৰাণিত কৰিব।

০০০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে কাইলৈ অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হ'ব। এই দিৱসৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি কালি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত এখন সংবাদমেলত আয়োজক সংস্থাৰ অধ্যক্ষ বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**